মোবাইল ফ্ৰেইণ্ডলি
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, APRIL 05, 2024 www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৯৮ Guwahati, Assam ।। মূল্যঃ এটকা

## মিছাইল অগ্নি প্ৰাইমৰ পৰীক্ষণ

■ সবিশেষ ৫ পৃষ্ঠাত

## মাতৃ অসহায়! প্ৰত্যাহাৰ জোনমণি ৰাভাৰ গোচৰ

■ সবিশেষ বাতৰি ৬ পৃষ্ঠাত চাওক

## মণিপুৰত বৃহৎ পৰিমাণৰ অস্ত্ৰভাণ্ডাৰ উদ্ধাৰ সেনাৰ

■ সবিশেষ বাতৰি ১২ পৃষ্ঠাত চাওক

## যোৰহাটত দিব্যাংগ যুৱকক প্ৰহাৰ আৰক্ষীৰ

■ সবিশেষ ১১ পৃষ্ঠাত

## চলিছে সেনাবাহিনীকো ঢাপে ঢাপে গেৰুৱাকৰণৰ গোপন চেষ্টা

# উগ্ৰ হিন্দু সংগঠনক গতালে ৪০খন সৈনিক স্কুল!


the reporters' collective

Centre hands over 62% of new Sainik Schools to Sangh Parivar, BJP politicians and allies.

*Sainik Schools, run under the Defence Ministry's guidance, send cadets to India's armed forces. The new initiative however relies on ideologically slanted organisations to train future cadets.*

**ই-সংবাদ বিশেষ, ৪ এপ্ৰিলঃ** বিজেপি, আৰএছএছৰ মতাদৰ্শৰে গঢ় দিয়াৰ চেষ্টা চলিছে ভাৰতীয় সেনাক। শেহতীয়াকৈ সংবাদ সংস্থা দ্য ৰিপ'ৰ্টাৰ্ছ কালেকটিভৰ এক প্ৰতিবেদনৰ পিছতে বহুলভাৱে চৰ্চিত হৈছে এই আশংকা। ভাৰতীয় সেনাত নিযুক্তি লাভ কৰাৰ ক্ষেত্ৰত যুৱক-যুৱতীসকলৰ শেষাংশ ৩ পৃষ্ঠাত

## মোদী বাহিনীক দিব ফাইভ ত্ৰিলিয়নত থকা শূন্যৰ হিচাপ...



# টিভিৰ টকশ্ব'ত সম্বিতৰ মুখ বন্ধ কৰি দিয়া কংগ্ৰেছৰ গৌৰৱ বল্লভ বিজেপিলৈ

## সঞ্জয় নিৰুপমক দলৰ পৰা বহিষ্কাৰ

**নতুন দিল্লী, ৪ এপ্ৰিলঃ** পাঁচ ত্ৰিলিয়ন অৰ্থনীতিৰ দাবী কৰা বিজেপিৰ মুখপাত্ৰক টিভিৰ ডিবেট শ্ব'ত 'পাঁচ ত্ৰিলিয়নত কিমানটা শূন্য থাকে' বুলি প্ৰশ্ন কৰি বিবুধিত পেলোৱা কংগ্ৰেছৰ জ্যেষ্ঠ ৰাষ্ট্ৰীয় মুখপাত্ৰ প্ৰফেচাৰ গৌৰৱ বল্লভৰো এতিয়া নতুন পৰিচয় হৈ পৰিল বিজেপি। কংগ্ৰেছক 'লক্ষ্যহীন আৰু সনাতন ধৰ্ম শেষাংশ ৪ পৃষ্ঠাত

## অসমত চলিব মোদীৰ গেৰাণ্টী, মামাৰ ৱাৰেণ্টী



**ই-সংবাদ, ওদালগুৰি, ৪ এপ্ৰিলঃ** ৰাজ্যৰ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ বাবে আজি আছিল অন্তিমটো দিন। আজি অন্তিম শেষাংশ ২ পৃষ্ঠাত

## অৰুণাচলত বাহনত পালে কোটি টকা

### ভোট কিনাৰ অংক!

**ইটানগৰ, ৪ এপ্ৰিলঃ** লোকসভা নিৰ্বাচনৰ দিন যিমানেই চমু চাপিছে সিমানেই উঠিছে ধনৰ উজানো। ভোটাৰক প্ৰলোভিত কৰিবলৈ প্ৰান্তে প্ৰান্তে দল আৰু প্ৰাৰ্থীয়ে শেষাংশ ৬ পৃষ্ঠাত

## মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে গোচৰ

**ই-সংবাদ, ৪ এপ্ৰিলঃ** মুখ্যমন্ত্ৰী পদত বহাৰ পাছৰে পৰা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে প্ৰথমটো গোচৰ ৰুজু হৈছে আদালতত। ক্ষমতাশালী মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে গোচৰ তৰিবলৈ সাহস কৰিছে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। আজি বহুবক্সী মুখ্যমন্ত্ৰী হিমন্ত শেষাংশ ৫ পৃষ্ঠাত

৬ পৃষ্ঠাত ইউপিৰ সোণাউলি সীমান্তত জালত পৰিল ৩ পাক সন্ত্ৰাসবাদী

৭ পৃষ্ঠাত মোদী আছে শুই, সীমান্তত চীনে দিছে জুই! কটাক্ষ কংগ্ৰেছৰ

৯ পৃষ্ঠাত পুনৰ বিপদত কোকৰাঝাৰৰ সাংসদ নৱ শৰণীয়া

প্ৰথম পৃষ্ঠাৰ পৰা...

# অসমত চলিব মোদীৰ গেৰেণ্টী



দিনটোত দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ বাবে পাঁচ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। ইয়াৰ ভিতৰত অন্যতম আছিল এনডিএৰ সমৰ্থিত প্ৰাৰ্থী দিলীপ শইকীয়া। শইকীয়াৰ মনোনয়ন দাখিল উপলক্ষে আজি ওদালগুৰিত তিনিটা দল ক্ৰমে বিজেপি, ইউপিপিএল আৰু অসম গণ পৰিষদৰ শীৰ্ষ নেতৃত্ব উপস্থিত থাকে। এই উপলক্ষে আজি ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত এক বিশাল সভা অনুষ্ঠিত হয়। হাজাৰ হাজাৰ সমৰ্থক উপস্থিতি থকা এই সভাত অংশগ্ৰহণ কৰে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সভাত ৰাইজক উদ্দেশ্যি দিয়া ভাষণত মুখ্যমন্ত্ৰী শৰ্মাই কয় "আজি আমাৰ বাবে এক আনন্দৰ দিন। যেতিয়া এগৰাকী ৰাইজৰ প্ৰতিনিধিয়ে ৰাইজৰ আশীৰ্বাদ লৈ মনোনয়ন দাখিল কৰিবলৈ যায়, সেই দিনটো জীৱনত সদায় মনত থাকে। আজি ৰাইজে বিচাৰে যে ভাৰতবৰ্ষত তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হব লাগে নৰেন্দ্ৰ মোদী। আমি দিলীপ শইকীয়াক ভোট দি জয়ী কৰালে নৰেন্দ্ৰ মোদী দেশৰ প্ৰধানমন্ত্ৰী হব। মই যেতিয়া বিগত বিধানসভা নিৰ্বাচনৰ পূৰ্বে ভাষণত এক লাখ চাকৰি, অৰুণোদয় আচনিৰ ঘোষণা কৰিছিলো, তেতিয়া কংগ্ৰেছী মানুহবোৰে ইয়াক কেৱল নিৰ্বাচনী ঘোষণা বুলিহে কৈছিল। আজি আমি অসম্ভৱক সম্ভৱ কৰিলো। আজি আমাৰ অসমখন উন্নতি আৰু শান্তি দুয়োটা পথত আগবাঢ়িছে। আজিৰ পৰা পাঁচ বছৰ আগত ওদালগুৰিত এনেধৰণৰ ৰাজহুৱা সভা অনুষ্ঠিত কৰাটো সম্ভৱ নাছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাবেই বিটিআৰত শান্তি আহিছে, অসমত শান্তি আহিছে। বিজেপিক ভোট দিলে ত্ৰিপল ইঞ্জিনৰ ৰেল দ্ৰুতগতিত দৌৰিব। কিন্তু কংগ্ৰেছ আৰু বিপিএফক ভোট দিলে দুটা ইঞ্জিন আগফালে আৰু দুটা ইঞ্জিন পিছফালে দৌৰি ৰেল গাড়ী নচলা হব। আগন্তুক নিৰ্বাচনৰ পাছত প্ৰতিখন ৰেচন কাৰ্ড থকা পৰিয়ালত একোটাকৈ অৰুণোদয় আচনি প্ৰদান কৰিম। লগতে ৰেচন কাৰ্ড থকা প্ৰতিটো পৰিয়ালৰ মুৰব্বীক একোটাকৈ স্বাস্থ্য বীমা আৰু জীৱন বীমা আমি চৰকাৰৰ ধনেৰে কৰাই দিম। যাৰ দ্বাৰা পৰিয়ালৰ মুৰব্বীৰ বেমাৰ হ'লে বা মৃত্যু হ'লে চৰকাৰে কৰাই দিয়া জীৱন বীমাৰ ধন লাভ কৰি পৰিয়ালটো চলিব পাৰে। আনহাতে যিটো পৰিয়ালত দুটা সন্তান থাকে সেই পৰিয়ালৰ কন্যা সন্তানটিক চৰকাৰে পঢ়াৰ খৰছ বহন কৰিব। তেনে কন্যা সন্তানে মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ কলেজত নামভৰ্তি কৰিলে ছাত্ৰীগৰাকীৰ বেংক একাউণ্টত চৰকাৰে দহ হাজাৰ টকা ভৰাই দিব। যি ছাত্ৰীয়ে উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ হৈ স্নাতকত নামভৰ্তি কৰিব, তেনে ছাত্ৰীৰ একাউণ্টত ১২,৫০০ টকা চৰকাৰে ভৰাই দিব। যি ছাত্ৰীয়ে বিশ্ববিদ্যালয়ত নামভৰ্তি কৰিব, তেনে ছাত্ৰীৰ বেংকৰ একাউণ্টত ২৫ হাজাৰ টকা ভৰাই দিম। অসমত মোদীৰ গেৰেণ্টীৰ লগতে মামাৰ ৱাৰেণ্টী চলিব।" ইফালে এক লাখ চাকৰি সন্দৰ্ভত মন্তব্য কৰি শৰ্মাই কয় যে "যিহেতু এক লাখ চাকৰি অতিক্ৰম হৈ গ'ল, গতিকে এক লাখৰ লগত আকৌ ৫০ হাজাৰ চাকৰি যোগ কৰি ডেৰ লাখ কৰি দিলো। এতিয়া চাকৰিৰ দালাল নোহোৱা হৈছে। গতিকে ল'ৰা-ছোৱালীবোৰে পৰীক্ষা কেতিয়া হব সুধি থাকে। আগন্তুক জুলাই মাহত আৰক্ষীৰ লগতে তৃতীয় চতুৰ্থ বৰ্গৰো পৰীক্ষা অনুষ্ঠিত হব। লগতে তৃতীয় চতুৰ্থ বৰ্গৰ চাকৰিৰ পদৰ সংখ্যা ৩৫ হাজাৰৰ পৰা ৫০ হাজাৰলৈ বৃদ্ধি কৰা হৈছে।" দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সূৰ্য আখ্যা দি সেই সূৰ্যৰ পোহৰত হে চন্দ্ৰ তথা ৰাজ্য চৰকাৰ সমূহ উজ্বলি থাকিব পাৰে বুলিও মুখ্যমন্ত্ৰী গৰাকীয়ে ভাষণত প্ৰকাশ কৰে। ইফালে কংগ্ৰেছ দল সন্দৰ্ভত মন্তব্য কৰি মুখ্যমন্ত্ৰী গৰাকীয়ে কয়, "পেট্ৰলৰ টেংকী ইতিমধ্যে ফুটি গৈছে। তাত পেট্ৰল নায়েই। গতিকে কংগ্ৰেছক গালি দি কি লাভ? কংগ্ৰেছ এতিয়া পুৰণা অচল নোট।" গতিকে অচল নোটক কোনেও আকোৱালি নলয় বুলি মুখ্যমন্ত্ৰী গৰাকীয়ে মত প্ৰকাশ কৰে। ইয়াৰ পাছতেই দিলীপ শইকীয়াক লগত লৈ মুখ্যমন্ত্ৰীৰ লগতে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োসহ সকলো নেতা-সমৰ্থক ৰাওনা হয় ওদালগুৰি জিলা আয়ুক্ত কাৰ্যালয়লৈ। খোলা জীপত উঠি মুখ্যমন্ত্ৰী গৰাকীয়েও ৰাইজৰ লগত সমদলত অংশগ্ৰহণ কৰে। ইয়াৰ পাছত মুখ্যমন্ত্ৰী শৰ্মা, প্ৰাৰ্থী দিলীপ শইকীয়াসহ পাঁচ গৰাকী নেতাৰ উপস্থিতিত প্ৰাৰ্থীগৰাকীৰ হৈ মনোনয়ন দাখিল কৰে। আজিৰ এই মনোনয়ন দাখিল কাৰ্যসূচী উপলক্ষে অনুষ্ঠিত সভাত বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতা, অগপৰ নেতা কমলা কলিতা, মন্ত্ৰী ৰঞ্জিৎ দাস, চন্দ্ৰ মোহন পাটোৱাৰী, জয়ন্তমল্ল বৰুৱা, ইউজি ব্ৰহ্ম, সাংসদ ৰণগৌৰা নাৰ্জাৰী, বিধায়ক গোবিন্দ চন্দ্ৰ বসুমতাৰী, জলেন দৈমাৰী, দিগন্ত কলিতা, পৰমানন্দ ৰাজবংশীৰ লগতে বিটিআৰৰ কেইৱাগৰাকীও ইএম, এমচিএলএ উপস্থিত থাকে। ইফালে আজিৰ দিনটোত লোকসভা সমষ্টিটোৰ বাবে ভাৰতীয় গণ পৰিষদৰ বিৰেণ বাছাক, নিৰ্দলীয় প্ৰাৰ্থী ডানিয়েল মাৰ্দী, ভাৰতীয় জৱান কিষান পাৰ্টীৰ অৰুণ বৰুৱা, ৰাষ্ট্ৰীয় উলেমা কাউঞ্চিলৰ আব্দুল হামিদে মনোনয়ন দাখিল কৰে। ইয়াকে লৈ নতুনকৈ নামাকৰণ কৰা দৰং-ওদালগুৰি সমষ্টিটোত মুঠ ১১ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উগ্ৰ হিন্দু সংগঠনক গতালে

অন্যতম শিক্ষাৰ প্ৰতিষ্ঠান সৈনিক স্কুলসমূহৰ পৰিচালনাৰ চুক্তি বিজেপি আৰু ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ সৈতে জড়িত ব্যক্তিক প্ৰদান কৰা বুলি এক প্ৰতিবেদন প্ৰকাশ কৰিছিল সংবাদ সংস্থা দ্য ৰিপ'ৰ্টাৰ্ছ কালেকটিভে। অৱশ্যে সংবাদ সংস্থাটোৰ এই প্ৰতিবেদন খাৰিজ কৰি এয়া ভিত্তিহীন বুলি অভিহিত কৰে প্ৰতিৰক্ষা মন্ত্ৰণালয়ে। উল্লেখ্য যে, সৈনিক স্কুলসমূহ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ অধীনস্থ স্বায়ত্তশাসিত সংস্থা সৈনিক স্কুল সমিতিৰ দ্বাৰা পৰিচালিত হয়। ২০১৩-১৪ বৰ্ষত সংসদৰ স্থায়ী সমিতিয়ে প্ৰকাশ কৰা এক প্ৰতিবেদন অনুসৰি ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা একাডেমী আৰু ভাৰতীয় নৌসেনা একাডেমীত নামভৰ্তি কৰা কেডেটৰ প্ৰায় ২০ জোৱান সৈনিক বিদ্যালয়ৰ ছাত্ৰ আছিল। ২০২২ চনৰ পূৰ্বে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে যৌথভাৱে ৩৩খন সৈনিক স্কুল চলাই আহিছিল৷ কিন্তু ২০২১ চনৰ অক্টোবৰ মাহত কেন্দ্ৰৰ বিজেপি নেতৃত্বাধীন চৰকাৰে ব্যক্তিগত পুঁজিপতিক সৈনিক স্কুল ছ'চাইটিৰ সৈতে অংশীদাৰিত্ব কৰি আংশিক আৰ্থিক সাহায্যৰে সৈনিক স্কুলৰ নিজা শাখা পৰিচালনা কৰিবলৈ অনুমতি প্ৰদান কৰে। দ্য ৰিপ'ৰ্টাৰ্ছ কালেকটিভৰ মতে, ২০২২ চনৰ ৫ মে'ৰ পৰা ২০২৩ চনৰ ২৭ ডিচেম্বৰৰ ভিতৰত কমেও ৪০খন ব্যক্তিগত বিদ্যালয়ে সৈনিক স্কুল ছ'চাইটিৰ সৈতে চুক্তিৰ স্মাৰকপত্ৰত স্বাক্ষৰ কৰিছিল। প্ৰতিবেদন অনুসৰি, ইয়াৰে ১১খন বিজেপি নেতাৰ মালিকানাধীন, যিবোৰ ট্ৰাষ্টৰ পৰিচালনা তেওঁলোকৰ অধ্যক্ষ বা অন্তৰ্গত হিন্দুত্ববাদী দলৰ সতীৰ্থ আৰু ৰাজনৈতিক মিত্ৰসকলে লাভ কৰিছে। তদুপৰি আঠখন বিদ্যালয় বিজেপিৰ অভিভাৱক সংস্থা ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ আৰু ইয়াৰ সহযোগী সংগঠনসমূহে পৰিচালনা কৰে। ছয়খন বিদ্যালয়ৰ হিন্দুত্ববাদী সংগঠন বা উগ্ৰ সোঁপন্থী নেতা আৰু অন্যান্য হিন্দু ধৰ্মীয় সংগঠনৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছে বুলি দ্য ৰিপ'ৰ্টাৰ্ছ কালেকটিভৰ তথ্যত প্ৰকাশ পাইছে। বিজেপি চৰকাৰে বৃন্দাবনৰ সমবিদ গুৰুকুলাম বালিকা সৈনিক বিদ্যালয় আৰু সোলানৰ ৰাজ লক্ষ্মী সমবিদ গুৰুকুলামক সৈনিক বিদ্যালয়ৰ চুক্তি প্ৰদান কৰা বুলি প্ৰতিবেদনত উল্লেখ কৰা হৈছে। ভাৰতৰ প্ৰথমখন ছোৱালীৰ বাবে সামৰিক বিদ্যালয় বুলি প্ৰচাৰ কৰা হৈছে। দ্য ৰিপ'ৰ্টাৰ্ছ কালেকটিভৰ এই প্ৰতিবেদন প্ৰকাশ পোৱাৰ পিছতে বিজেপি চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰা দেখা গৈছে বিৰোধীক। ভাৰতৰ স্বাধীনতাত তিলমানো সহযোগ নথকা বিজেপি-আৰএছএছৰ আদৰ্শৰে এতিয়া দেশৰ সেনাক পৰিচালিত কৰাৰ ষড়যন্ত্ৰ কৰা হৈছে বুলি অভিযোগ কৰে বিৰোধীয়ে। ইফালে প্ৰাক্তন লেফটেনেণ্ট জেনেৰেল প্ৰকাশ মেননে দ্য ৰিপ'ৰ্টাৰছ কালেকটিভক কয় যে, 'এয়া সশস্ত্ৰ বাহিনীৰ বাবে ভাল নহয়।' মেননে কয় যে এনে সংস্থাক চুক্তি প্ৰদান কৰিলে সশস্ত্ৰ বাহিনীৰ চৰিত্ৰ আৰু নীতি-নিয়মত প্ৰভাৱ পৰিব। আনহাতে বুধবাৰে কংগ্ৰেছৰ সাংসদ শশী থাৰুৰে প্ৰতিৰক্ষা মন্ত্ৰীক এই নীতি প্ৰত্যাহাৰ কৰিবলৈ আহ্বান জনায়। থাৰুৰে নিজৰ ছ'চিয়েল মিডিয়া হেণ্ডেলত লিখে, 'এই নিৰ্লজ্জ চৰকাৰখনে ভাৰতৰ ৰাষ্ট্ৰীয় নিৰাপত্তা আৰু ইয়াৰ শিক্ষা ব্যৱস্থাৰ সৈতে কেনেকৈ এই ধৰণে আপোচ কৰিব পাৰে। আমাৰ সেনাৰ বিশ্বৰ ভিতৰতে এটা শক্তিশালী পৰিচয় আছে। কিন্তু সেই পৰিচয়ৰ সৈতে এতিয়া আপোচ কৰিব বিচৰা হৈছে।' আনফালে সংবাদ সংস্থাটোৰ এই প্ৰতিবেদনক ভিত্তিহীন আখ্যা দি বুধবাৰে প্ৰতিৰক্ষা মন্ত্ৰালয়ে কয়, 'সৈনিক স্কুল সন্দৰ্ভত সংবাদ মাধ্যমত কিছু লেখা প্ৰকাশ পাইছে। এই দাবীবোৰ সম্পূৰ্ণৰূপে ভিত্তিহীন। আমি ৫০০ৰো অধিক আবেদন লাভ কৰিছিলোঁ, ইয়াৰে এতিয়ালৈকে আমি ৪৫খন বিদ্যালয়ৰ আবেদনত অনুমোদন জনাইছো।'

# কেজৰিৱালৰ অপসাৰণ বিচাৰি দাখিল কৰা আবেদন খাৰিজ ন্যায়ালয়ৰ

**নতুন দিল্লী, ৪ এপ্ৰিলঃ** দিল্লীৰ সুৰা নীতি কেলেংকাৰীত গ্ৰেপ্তাৰ হৈ তিহাৰ জে'লত বন্দী হৈ থকা অৰবিন্দ কেজৰিৱালক মুখ্যমন্ত্ৰীৰ পদৰ পৰা অপসাৰণৰ বাবে দাখিল কৰা আন এখন আবেদন আজি খাৰিজ কৰে দিল্লী উচ্চ ন্যায়ালয়ে। কাৰাগাৰৰ ভিতৰৰ পৰাই মুখ্যমন্ত্ৰীৰ দায়িত্ব চম্ভালি থকা অৰবিন্দ কেজৰিৱালক মুখ্যমন্ত্ৰী পদৰ পৰা অপসাৰণৰ বাবে দাখিল কৰা আবেদনখন বৃহস্পতিবাৰে খাৰিজ কৰে দিল্লী উচ্চ ন্যায়ালয়ৰ ভাৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ মনমোহনৰ নেতৃত্বত থকা বিচাৰপীঠে। মন কৰিবলগীয়া যে, ইয়াৰ লগে লগে কেজৰিৱালক মুখ্যমন্ত্ৰীৰ পদৰ পৰা অপসাৰণৰ তৃতীয়খন আবেদন খাৰিজ কৰে উচ্চ ন্যায়ালয়ে। ভাৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশগৰাকীয়ে গোচৰ খাৰিজ কৰি কয়, 'তেওঁ মুখ্যমন্ত্ৰী হৈ থাকিব নে নাথাকে সেয়া তেওঁৰ কথা। গণতন্ত্ৰই নিজৰ গতিপথ লওঁক।' উল্লেখ্য যে, এই গোচৰটো দাখিল কৰিছিল হিন্দু সেনা নামৰ এটা সংগঠনৰ সভাপতি বিষ্ণু গুপ্তাই। ইফালে বিৰোধী দলৰ 'ইণ্ডিয়া' মিত্ৰজোঁটে যোৱা দেওবাৰে কেজৰিৱালৰ গ্ৰেপ্তাৰৰ বিৰুদ্ধে দিল্লীত এক সভা অনুষ্ঠিত কৰে। বিৰোধীৰ এই সমাৰেশত কেইবা শতাধিক লোকে অংশ লোৱা পৰিলক্ষিত হয়। ইয়াৰ পিছতে পিছদিনা অৰ্থাৎ সোমবাৰে আবকাৰী গোচৰত কেজৰিৱালৰ ইডি জিম্মাৰ অন্ত পৰে। বিশেষ আদালতৰ ন্যায়াধীশে দিল্লীৰ মুখ্যমন্ত্ৰীক জেললৈ প্ৰেৰণৰ নিৰ্দেশ দিয়ে। স্বামীৰ শুনানিৰ বাবে হাজিৰ হোৱাৰ সময়তে দিল্লীৰ ৰাউজ এভিনিউ আদালতত উপস্থিত আছিল পত্নী সুনীতা কেজৰিৱাল। আদালতৰ পৰা ওলাই আহি সুনীতাই কেন্দ্ৰৰ বিজেপি চৰকাৰক একনায়কত্ববাদ চলোৱাৰ অভিযোগ উত্থাপন কৰে। তেওঁ কয়, "তেওঁক (কেজৰিৱালক) কিয় জেললৈ পঠিওৱা হ'ল? বিজেপিৰ একমাত্ৰ লক্ষ্য হৈছে লোকসভা নিৰ্বাচনৰ সময়ত তেওঁক জেলত ৰখা।" ইয়াৰ পিছত তেওঁ লগতে কয় যে দেশৰ মানুহে এই অত্যাচাৰৰ প্ৰতি সঁহাৰি জনাব। উল্লেখ্য যে, ২১ মাৰ্চত ইডিয়ে আবকাৰী গোচৰৰ সৈতে জড়িত দিল্লীৰ মুখ্যমন্ত্ৰীৰ বাসগৃহত অভিযান চলাইছিল। তাৰ পিছতে ২২ মাৰ্চৰ নিশা তেওঁক গ্ৰেপ্তাৰ কৰে। ইডিৰ সূত্ৰ অনুসৰি তদন্তকাৰী বিষয়াসকলে মুখ্যমন্ত্ৰীৰ ঘৰত তালাচী চলাই ৭০ হাজাৰ টকা উদ্ধাৰ কৰে। অৱশ্যে এই ধন জব্দ কৰা হোৱা নাছিল। অৱশ্যে চাৰিটা ফোন জব্দ কৰা হয়। যাৰ ভিতৰত আছে কেজৰিৱালৰ ব্যক্তিগত মোবাইলও। কেজৰিৱালৰ গ্ৰেপ্তাৰক সকলো বিৰোধী দলে 'ৰাজনৈতিক প্ৰতিশোধ' বুলি অভিহিত কৰিছে। এই লৈ ৰামলীলা ময়দানত মহাৰেলীও অনুষ্ঠিত কৰিছিল বিৰোধীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# টিভিৰ টকশ্ব’ত সম্বিতৰ

বিৰোধী’ বুলি অভিহিত কৰি দলৰ সকলো বিষয়বাবৰ পৰা পদত্যাগ কৰাৰ পিছত আজি দিল্লীস্থ বিজেপিৰ কাৰ্যালয়ত দলটোৰ সৰ্বভাৰতীয় সাধাৰণ সম্পাদক বিনোদ টাৱাৰৰ উপস্থিতিত গেৰুৱা বসন পৰিধান কৰে প্ৰফেছাৰ গৌৰৱ বল্লভে। লোকসভা নিৰ্বাচনলৈ মাজত আৰু মাত্ৰ কেইটামান দিন বাকী থকা সময়ত এনেদৰে দল সলনি কৰা সন্দৰ্ভত গৌৰৱ বল্লভে ৰাহুল গান্ধী-মল্লিকাৰ্জুন খৰ্গে দলৰ বিৰুদ্ধে হিন্দু বিৰোধী আচৰণৰ অভিযোগ উত্থাপন কৰে। তেওঁ কয়, "সনাতন ধৰ্মৰ বিৰুদ্ধে মই শ্লোগান উত্থাপন কৰিব নোৱাৰো। দেশৰ সম্পদ সৃষ্টিকৰ্তাসকলক মই অপব্যৱহাৰ কৰিব নোৱাৰো। কংগ্ৰেছ দলৰ সকলো পদ আৰু প্ৰাথমিক সদস্যপদৰ পৰা পদত্যাগ কৰিছো।" তেওঁ লগতে কয়, ‘কংগ্ৰেছৰ ৰাষ্ট্ৰীয় অধ্যক্ষলৈ মই প্ৰেৰণ কৰা পত্ৰত মোৰ হৃদয়ৰ সকলো যন্ত্ৰণা লিখিছোঁ। অযোধ্যাত ভগৱান ৰাম মন্দিৰ উদ্বোধনৰ আমন্ত্ৰণ যি ধৰণে নাকচ কৰা হৈছিল, সেয়া মোৰ বাবে গ্ৰহণযোগ্য নহয়। আজি মই বিজেপিত যোগদান কৰিছো আৰু আশা কৰিছো যে মই মোৰ দক্ষতা আৰু জ্ঞানৰ সহায় লৈ ভাৰতক আগুৱাই নিব পাৰিম।‘ উল্লেখ্য যে নিৰ্বাচনৰ ধামখুমীয়াৰ পৰিস্থিতিত গৌৰৱ বল্লভৰ উপৰিও আন কে’বগৰাকীও জ্যেষ্ঠ কংগ্ৰেছ নেতাই ইতিমধ্যে দল ত্যাগ কৰি বিজেপিৰ শৰণাপন্ন হোৱাৰ ইংগিত দিছে। বৃহস্পতিবাৰৰ দিনটোতে প্ৰফেছাৰ বল্লভৰ লগত একেলগে বিজেপিত যোগদান কৰে বিহাৰ প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি অনিল শৰ্মাই। ইফালে মহাৰাষ্ট্ৰৰ প্ৰাক্তন কংগ্ৰেছ সাংসদ সঞ্জয় নিৰুপমেও ইতিমধ্যে ‘জয় শ্ৰীৰাম’ ধ্বনি দি স্পষ্ট ইংগিত প্ৰদান কৰি বিজেপিত যোগদানৰ। কংগ্ৰেছৰ পৰা বহিষ্কৃত হোৱাৰ ২৪ ঘণ্টা নৌহওঁতেই প্ৰাক্তন সাংসদগৰাকীয়ে দলটোৰ বিৰুদ্ধে বিষোদগাৰ প্ৰকাশ কৰি বিজেপিত যোগদানৰ যো-জা চলোৱাৰ চৰ্চা আৰম্ভ হৈছে। উল্লেখ্য যে, দল বিৰোধী কাৰ্যকলাপৰ বাবে বুধবাৰে নিশা ছয় বছৰৰ বাবে কংগ্ৰেছৰ পৰা সঞ্জয় নিৰুপমক বহিস্কাৰৰ সিদ্ধান্ত লৈছিল দলৰ নেতৃত্বই। ইয়াৰ পিছতে কংগ্ৰেছৰ বিৰুদ্ধে সৰৱ হৈ পৰা দেখা যায় প্ৰাক্তন সাংসদগৰাকীক। কংগ্ৰেছক এটা ভগ্ন ৰাজনৈতিক দল বুলি অভিহিত কৰি তেওঁ কয়, "কংগ্ৰেছত এতিয়া পাঁচটা ক্ষমতা কেন্দ্ৰ আছে — প্ৰথম ছোনিয়া গান্ধী, দ্বিতীয় ৰাহুল গান্ধী, তৃতীয় প্ৰিয়ংকা গান্ধী, চতুৰ্থ কংগ্ৰেছৰ সভাপতি (মল্লিকাৰ্জুন খৰ্গে) আৰু পঞ্চম কেচি বেনুগোপাল। কংগ্ৰেছৰ অৱস্থা এতিয়া বিহাৰৰ কাৰখানাৰ দৰেই।" ইফালে বৃহস্পতিবাৰে এক ৰাজহুৱা সভাৰ সময়ত সঞ্জয় নিৰুপমে ‘জয় শ্ৰীৰাম’ ধ্বনিও দিয়া পৰিলক্ষিত হয়। প্ৰাক্তন সাংসদগৰাকীয়ে এনে ধ্বনি দি এতিয়া বিজেপিমুখী হোৱাৰ স্পষ্ট ইংগিত প্ৰদান কৰিছে বুলি বিভিন্নজনে মন্তব্য কৰিছে। এনেদৰে এতিয়া কংগ্ৰেছত চলিয়েই আছে দল ত্যাগৰ জোৱাৰ।

# নগাঁৱৰ দুই হেভীৱেট প্ৰাৰ্থী সুৰেশ-প্ৰদ্যুতৰ মনোনয়ন দাখিল

## বিজেপি প্ৰাৰ্থীৰ মনোনয়ন দাখিলত সংখ্যালঘুৰ ভিৰ

**ই-সংবাদ, নগাঁও, ৪ এপ্ৰিলঃ** আজি নগাঁও সদৰত কংগ্ৰেছ আৰু বিজেপি দলে নিজ নিজ প্ৰাৰ্থীৰ মনোনয়ন দাখিলৰ সময়ত শক্তি প্ৰদৰ্শন কৰে। কংগ্ৰেছ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে ভূপেন বৰাৰ উপস্থিতিত কেইবা হাজাৰ লোকক লগত লৈ মনোনয়ন দাখিল কৰে। আনহাতে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত বিজেপি প্ৰাৰ্থী সুৰেশ বৰাই মনোনয়ন দাখিল কৰে। দুয়োটা দলে শক্তি প্ৰদৰ্শন কৰাত পিছ পৰা থকা নাই। নগাঁও চহৰ বিজেপি আৰু কংগ্ৰেছৰ পতাকাৰে ৰঙীন হৈ পৰে। চৌদিশে হাজাৰ হাজাৰ কংগ্ৰেছ আৰু বিজেপিৰ সমৰ্থকক দেখা যায়। পুৱাৰে পৰা নগাঁও সদৰ চহৰ স্তব্ধ হৈ পৰে। বিজেপিৰ নেতা-কৰ্মী সমৱেত হয় নগাঁও চহৰৰ ডচন স্কুলৰ পথাৰত। ডচন স্কুলৰ পথাৰৰ পৰা বিজেপিৰ প্ৰাৰ্থী সুৰেশ বৰাই ৰঙশিঙা বজাই জিলা আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত মুখ্যমন্ত্ৰীৰ উপস্থিতিত সুৰেশ বৰাই মনোনয়ন দাখিল কৰে। মনোননয় দাখিল কৰিবলৈ জীপছী গাড়ীত আহে সুৰেশ বৰা। জীপছী গাড়ীখনত দেখা যায় মুখ্যমন্ত্ৰীকো। নেতা-কৰ্মী, সমৰ্থকৰ হৰ্যোল্লাস, গীত-নাচৰ মাজেৰে পথযাত্ৰা কৰি সুৰেশ বৰাই মনোনয়ন দাখিল কৰে। সুৰেশ বৰাৰ মনোনয়ন দাখিলৰ সময়ত সকলোকে আঁচৰিত কৰি হাজাৰ হাজাৰ সংখ্যালঘু লোকে অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বাৰে বাৰে মিঞাৰ ভোট নালাগে বুলি ইতিকিং কৰি অহাৰ পাছতো আজি মুখ্যমন্ত্ৰী উপস্থিত থকা বিজেপিৰ প্ৰাৰ্থীৰ মনোনয়ন দাখিল কাৰ্যসূচীত কেইবা হাজাৰ ইছলামধৰ্মী লোক উপস্থিত থাকে। সুৰেশ বৰাই মনোনয়ন দাখিলৰ অনুষ্ঠিত সভাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সুৰেশ বৰাই জয়ী হ’ব বুলি দাবী কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে নগাঁৱত সুৰেশ বৰাই হৈছে নৰেন্দ্ৰ মোদী। সুৰেশ বৰাক ভোট দিয়া মানে মোদীক ভোট দিয়া। সুৰেশ বৰাক ভোট দিলে মোদীৰ হাত শক্তিশালী হ’ব। ইপিনে কংগ্ৰেছৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ো আজি পিছপৰি নাথাকিল। প্ৰদ্যুৎ বৰদলৈয়ে ভূপেন বৰা, অখিল গগৈ আৰু ৰকিবুল হুছেইনক লগত লৈ প্ৰায় ৩০ হাজাৰ লোক উপস্থিতিত মনোনয়ন দাখিল কৰে। নগাঁও চহৰৰ মাজেৰে বিশাল পথযাত্ৰা কৰি প্ৰদ্যুৎ বৰদলৈ উপস্থিত হয় নগাঁৱৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত। একেই পৰিৱেশ দেখা যায় প্ৰদ্যুৎ বৰদলৈৰ সৈতে। বিহু দল, বিভিন্ন সাংস্কৃতিক দলৰ সৈতে উলাহত নাচি-বাগি মনোনয়ন দাখিল কৰি ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰে প্ৰদ্যুৎ বৰদলৈয়ে। প্ৰদ্যুৎ বৰদলৈয়ে দিল্লীত যোৱাটো খাতাং বুলি কয় ভূপেন বৰাই। ভূপেন বৰাই কয় যে আজি মানুহৰ যি উৎসাহ দেখিছো প্ৰদ্যুৎ বৰদলৈ জয়ী হ’বই। ৰাজ্যৰ ৰাজনীতিৰ দৃষ্টি আকৰ্ষণ কৰা সমষ্টি হৈছে নগাঁও। কিয়নো কংগ্ৰেছৰ বৰ্তমানৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে নিৰ্বাচনত অৱতীৰ্ণ হৈছে। আনহাতে প্ৰদ্যুৎ বৰদলৈৰ বিৰুদ্ধে নিৰ্বাচনত অৱতীৰ্ণ হৈছে প্ৰাক্তন কংগ্ৰেছী সুৰেশ বৰা। ছয়মাহ আগলৈ একেটা দলৰ হৈ কাম কৰা প্ৰদ্যুৎ বৰদলৈ আৰু সুৰেশ বৰাই লোকসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বি হৈ থিয় দিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে গোচৰ

বিশ্ব শৰ্মাৰ বিৰুদ্ধে ১০ কোটি টকাৰ মানহানি গোচৰ তৰিছে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই৷ ২০২৫ চনৰ ভিতৰত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই বিজেপিত যোগদান কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কৰা দাবীক প্ৰত্যাহ্বান জনাই ভূপেন বৰাই এই গোচৰ ৰুজু কৰে৷ প্ৰায় ১০ দিন পূৰ্বে ভূপেন বৰাই গোচৰ তৰাৰ ঘোষণা কৰিছিল৷ তাৰ পাছতে আজি ভূপেন বৰাৰ অধিবক্তা আৰ.এ লহকৰে কামৰূপ মহানগৰৰ ছেজন ন্যায়াধীশৰ আদালতত মানহানি গোচৰ তৰে৷ গোচৰটো আজি আদালতত পঞ্জীয়ন হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বাৰে বাৰে ভূপেন বৰাই বিজেপিত যোগদান কৰিব বুলি দাবী কৰি আহিছিল৷ আনহে নালাগে ভূপেন বৰাই ২০২৫ চনত বিজেপিত যোগদান কৰিব আৰু বৰাৰ বাবে দুটা সমষ্টি ঠিক কৰি ৰখা বুলি দাবী কৰিছিল৷ এই কথা কেইবাবাৰো উল্লেখ কৰিছে হিমন্ত বিশ্ব শৰ্মাই৷ তাৰ পাছতে ভূপেন বৰাক সাংবাদিকে প্ৰশ্নৰ অৱতাৰণা কৰি আহিছিল৷ অৱশেষত মুখ্যমন্ত্ৰীৰ মন্তব্যৰ বিৰুদ্ধে মানহানি গোচৰ তৰাৰ সিদ্ধান্ত লয় ভূপেন বৰাই৷ মুখ্যমন্ত্ৰীৰ মন্তব্যই কংগ্ৰেছ দল আৰু ব্যক্তিগতভাৱে ভূপেন বৰাৰ বাবে আপত্তিজনক আৰু ক্ষতিকাৰক বুলি গণ্য কৰি মানহানিৰ গোচৰ তৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে৷ উল্লেখ্য যে, ইয়াৰ পূৰ্বে হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছত মন্ত্ৰী হিচাপে থকাকালত অগপৰ তদানীন্তন বিধায়ক পদ্ম হাজৰিকাই ৰাজহুৱা স্বাৰ্থ জড়িত আবেদন দাখিল কৰিছিল৷ হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে টাডাকে ধৰি বিভিন্ন গোচৰৰ তদন্ত বিচাৰি পদ্ম হাজৰিকাই ৰাজহুৱা স্বাৰ্থ জড়িত আবেদন দাখিল কৰিছিল যদিও বিশেষকাৰণত পদ্ম হাজৰিকাই আবেদন প্ৰত্যাহাৰ কৰিছিল৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মিছাইল অগ্নি প্ৰাইমৰ

**নতুন দিল্লী, ৪ এপ্ৰিলঃ** ষ্ট্ৰেটেজিক ফৰ্চ কমাণ্ডে ডিফেন্স ৰিচাৰ্চ এণ্ড ডেভেলপমেণ্ট অৰ্গেনাইজেশ্যন (ডি আৰ ডি অ’)ৰ সহযোগত বুধবাৰে সন্ধিয়া সফল উৎক্ষেপণ পৰীক্ষণ সম্পন্ন কৰে নিউ জেনেৰেচন বেলিষ্টিক মিছাইল অগ্নি-প্ৰাইমৰ। সন্ধিয়া ৭ বজাত ওড়িশাৰ উপকূল ডাঃ এ পি জে আব্দুল কালাম দ্বীপৰ পৰা এই মিছাইলৰ সফল উৎক্ষেপণ পৰীক্ষা কৰা হয়। টাৰ্মিনেল পইণ্টত অৱস্থিত দুখন ডাউনৰেঞ্জ জাহাজকে ধৰি বিভিন্ন স্থানত নিয়োজিত একাধিক ৰেঞ্জ চেন্সৰৰ দ্বাৰা ধৰা পৰা তথ্য অনুসৰি এই মিছাইলটোৱে সকলো পৰীক্ষাৰ লক্ষ্যত উপনীত হয়, যাৰ ফলত ইয়াৰ নিৰ্ভৰযোগ্য কাৰ্য্যক্ষমতা পৰীক্ষা কৰা হয়। বুধবাৰে অগ্নি-প্ৰাইম উৎক্ষেপণ অনুষ্ঠানত উপস্থিত থাকে প্ৰতিৰক্ষা মুৰব্বী, কৌশলগত বাহিনী কমাণ্ডৰ মুৰব্বী আৰু ডি আৰ ডি অ’ আৰু ভাৰতীয় সেনাৰ জ্যেষ্ঠ বিষয়াসকল। মন্ত্ৰালয়ে কয় যে ষ্ট্ৰেটেজিক ফৰ্চ কমাণ্ড (এছ এফ চি)ৰ সৈতে ডিফেন্স ৰিচাৰ্চ এণ্ড ডেভেলপমেণ্ট অৰ্গেনাইজেশ্যনে ৩ এপ্ৰিলৰ সন্ধিয়া প্ৰায় ৭ বজাত ওড়িশা উপকূলৰ এ পি জি আব্দুল কালাম দ্বীপৰ পৰা নতুন প্ৰজন্মৰ বেলিষ্টিক মিছাইল অগ্নি-প্ৰাইমৰ সফলতাৰে উৎক্ষেপণ পৰীক্ষা কৰা হৈছে। ইফালে এই সফল পৰীক্ষণৰ বাবে ডি আৰ ডি অ’, এছ এফ চি আৰু সশস্ত্ৰ বাহিনীক অভিনন্দন জনায় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে। তেওঁ কয় যে এই ক্ষেপণাস্ত্ৰৰ সফল বিকাশে সশস্ত্ৰ বাহিনীৰ শক্তি বৃদ্ধি কৰিব। প্ৰতিৰক্ষা মুৰব্বী জেনেৰেল অনিল চৌহান আৰু প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন বিভাগৰ সচিব তথা অধ্যক্ষ, ডি আৰ ডি অ’ ডঃ সমীৰ ভি কামাতে এই সফল বিমান পৰীক্ষাৰ বাবে এছ এফ চি আৰু ডি আৰ ডি অ’ৰ প্ৰচেষ্টাৰ শলাগ লয়।

# ষড়যন্ত্ৰৰ বলি হোৱা বুলি দাবী সাংসদ শৰণীয়াৰ

**ই-সংবাদ, বৰমা, ৪ এপ্ৰিলঃ** লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণলৈ মাজত মাথো কেইটামান দিন৷ কিন্তু তৃতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া ১নং কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ নব কুমাৰ শৰণীয়াই এইবাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব পাৰিব নে নাই তাক লৈ সন্দেহৰ বাতাবৰণ দেখা গৈছে। দুবাৰকৈ সাংসদ হোৱা নব কুমাৰ শৰণীয়া এইবাৰ আইনী বিপদত পৰিছে। এনে অনিশ্চয়তাৰ মাজতে, বৰমাত সাংসদ নব কুমাৰ শৰণীয়াই এই সন্দৰ্ভত এক সংবাদমেল সম্বোধন কৰে। কোকৰাঝাৰৰ সাংসদ নব কুমাৰ শৰণীয়াই এয়া অসম চৰকাৰৰ ষড়যন্ত্ৰ বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰে। সাংসদগৰাকীয়ে কয় যে জনকলাল বসুমতাৰী, প্ৰমিলাৰাণী ব্ৰহ্ম নামতহে, এয়া অসম চৰকাৰৰ ছত্ৰছায়াতে ষড়যন্ত্ৰ চলিছে। কোকৰাঝাৰত তেওঁৰ বিৰুদ্ধে নিৰ্বাচনত জয়ী হ’ব নোৱাৰে বাবে এইধৰণৰ ষড়যন্ত্ৰ কৰি আহিছে৷ সকলো বিৰোধী শংকিত হৈ থকা বুলিও কয় শৰণীয়াই। অৱশ্যে ১৯ এপ্ৰিলত পুনৰ উচ্চ ন্যায়ালয়ে জাতিগত প্ৰমাণ পত্ৰ সন্দৰ্ভত চূড়ান্ত ৰায়দান দিব যদিও ইয়াৰ পূৰ্বে বিকল্প পথ গ্ৰহণ কৰিব বুলিও সংবাদমেলত জানিবলৈ দিয়ে নব কুমাৰ শৰণীয়াই। আনফালে অবড়ো সুৰক্ষা সমিতিয়েও এই সন্দৰ্ভত আজি বৰমাত এক সংবাদমেলৰ সম্বোধন কৰে। অবড়ো সুৰক্ষা সমিতিয়ে কয় যে অবড়ো প্ৰাৰ্থী তথা বৰ্তমানৰ সাংসদ নব কুমাৰ শৰণীয়াক লৈ ভয় খাইছে মিত্ৰজোটৰ প্ৰাৰ্থী আৰু বিপিএফ দলে। যাৰ বাবে এইধৰণৰ ষড়যন্ত্ৰত চৰকাৰ লিপ্ত হৈছে বুলি অবড়ো সুৰক্ষা সমিতিৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক মাধৱ ৰাজবংশীয়ে মত আগবঢ়ায়। সাংসদগৰাকীৰ সৈতে মতৰ অমিল থাকিলেও নব কুমাৰ শৰণীয়া বিটিচিৰ ২২ লক্ষ অবড়োৰ প্ৰতিনিধি বুলি উল্লেখ কৰি এয়া অবড়ো ৰাইজৰ বিৰুদ্ধে কৰা ষড়যন্ত্ৰ বুলিও কয়। চৰকাৰে বাৰম্বাৰ এনে কৰ্মত লিপ্ত হৈ থাকিলে পুনৰ প্ৰতিবাদৰ সন্মুখীন হ'ব লাগিব বুলিও মত প্ৰকাশ কৰে মাধৱ ৰাজবংশীয়ে৷ উল্লেখ্য, অহা ১৯ এপ্ৰিলত চূড়ান্ত ৰায়দান কৰিব উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে। এই ৰায়দান সপক্ষে যাব নে বিপক্ষে যাব এই লৈ চলিছে তুমুল চৰ্চা।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মাতৃ অসহায়! প্ৰত্যাহাৰ

**ই-সংবাদ, ৪ এপ্ৰিলঃ** বহু চৰ্চিত গোচৰ সন্দেহজনকভাবে বন্ধ হৈ পৰিল। আৰক্ষী উপ-পৰিদৰ্শক জোনমণি ৰাভাক হত্যাৰ সন্দেহ কৰা মাতৃয়ে তৰা গোচৰ প্ৰত্যাহাৰ কৰিছে খোদ মাতৃয়ে। হঠাতে দুৰ্ভগীয়া মাতৃগৰাকীয়ে গোচৰ প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। কন্যা জোনমণি ৰাভাৰ সন্দেহজনক পথ দুৰ্ঘটনাত নিহত হোৱাৰ পাছতে জখলাবন্ধা আৰক্ষী থানাত গোচৰ ৰুজু কৰিছিল জোনমণি ৰাভাৰ মাতৃ সুমিত্ৰা ৰাভাই। কিন্তু সেই গোচৰ এক আৰ্জি যোগে প্ৰত্যাহাৰ কৰিছে সুমিত্ৰা ৰাভাই। কলিয়াবৰ ন্যায়িক আদালতত চিবিআইৰ আবেষ্টনীত জোনমণি ৰাভাৰ মাতৃ সুমিত্ৰা ৰাভা উপস্থিত হৈ প্ৰত্যাহাৰৰ আৰ্জি দাখিল কৰে আৰু আদালতে আৰ্জি স্বীকাৰ কৰে। এই খবৰে ৰাজ্যত মিশ্ৰিত প্ৰতিক্ৰিয়াৰো সৃষ্টি কৰিছে। কোনো পক্ষই জোৰ কৰি গোচৰ প্ৰত্যাহাৰ কৰিবলৈ বাধ্য কৰাইছে নেকি তাকে লৈ সন্দেহ ব্যক্ত কৰিছে একাংশ লোকে। আন একাংশ লোকে দুই সন্তান হেৰুৱাই ভাগৰি পৰা মাতৃগৰাকীয়ে ন্যায় লাভৰ বাবে কিমান দৌৰিব বুলি প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। ন্যায় লাভৰ পথ অন্ধকাৰ দেখি জোনমণি ৰাভাৰ মাতৃয়ে এনে সিদ্ধান্ত লোৱাৰো সন্দেহ কৰা হৈছে। গাভৰু কন্যা জোনমণি ৰাভাক সন্দেহজনক দুৰ্ঘটনাত হেৰুওৱাৰ পাছতে জ্যেষ্ঠ পুত্ৰক হেৰুৱাইছিল সুমিত্ৰা ৰাভাই। দুই সন্তানক হেৰুওৱা মাতৃগৰাকীয়ে কন্যাৰ সন্দেহজনক দুৰ্ঘটনাৰ নিহত হোৱা ঘটনাৰ বিৰুদ্ধে তৰা গোচৰ আজি প্ৰত্যাহাৰ কৰে। কলিয়াবৰ ন্যায়িক আদালতত জোনমণি ৰাভাৰ মাতৃ সুমিত্ৰা ৰাভা জখলাবন্ধা আৰক্ষী থানাৰ ৮৭/২৩ নম্বৰৰ গোচৰ প্ৰত্যাহাৰ কৰে। ইয়াৰ পূৰ্বে চিবিআয়ে তদন্তৰ প্ৰতিবেদনত জোনমণিৰ মৃত্যুৰ ঘটনাক দুৰ্ঘটনা বুলি উল্লেখ কৰিছিল। জোনমণি ৰাভা আছিল অসম আৰক্ষীৰ উপ-পৰিদৰ্শক। নগাঁও জিলাৰ মৰিকলং আৰক্ষী চকীত কৰ্মৰত আছিল। ২০২৩ চনৰ ১৬ মে'ৰ নিশা মাৰুতি এল্ট'ৰ ভিতৰত থকা অৱস্থাতে জখলাবন্ধাৰ সৰুভগীয়াত ট্ৰাকৰ খুন্দাত প্ৰাণ গৈছিল। UP-78-UT-4518 নম্বৰৰ ট্ৰাকখনে খুন্দা মাৰিছিল। এগৰাকী মহিলা বিষয়াই হঠাতে কৰ্মস্থলী এৰি অকলে কিয় গৈছিল তাকে লৈ প্ৰশ্ন উত্থাপন কৰিছিল। লগতে জোনমণিক হত্যা কৰাৰ সন্দেহ কৰা হয়। খোদ আৰক্ষীয়ে হত্যা কৰাৰ অভিযোগ উঠে। প্ৰথমে অসম আৰক্ষীৰ চিআইডি পাছত চিবিআইক গোচৰ দিয়া হয়। চিবিআয়ে প্ৰায় ৮ মাহ তদন্ত কৰে। মহিলা আৰক্ষী বিষয়াগৰাকীৰ মৃত্যুৰ ৰহস্য ভেদ হোৱাটো বিচাৰিছিল ৰাজ্যবাসীয়ে। কিন্তু ৭ ফেব্ৰুৱাৰীত চিবিআয়ে জোনমণি ৰাভাৰ মৃত্যু ঘটনাক লৈ আদালতত প্ৰতিবেদন দাখিল কৰে। সুদীৰ্ঘ ৮ মাহৰ পাছত নগাঁও সত্ৰ ন্যায়াধীশৰ আদালতত চিবিআয়ে জোনমণি ৰাভাৰ মৃত্যু ঘটনাৰ চূড়ান্ত প্ৰতিবেদন দাখিল কৰিছিল। চিবিআইয়ে দাখিল কৰা চূড়ান্ত প্ৰতিবেদনত নিশা দুৰ্ঘটনাত পতিত হৈ মৃত্যু হৈছিল জোনমণি ৰাভাৰ। এই প্ৰতিবেদন প্ৰকাশৰ পিছতে একপ্ৰকাৰ অসহায় আৰু হতাশ হৈ পৰিছিল জোনমণি ৰাভাৰ মাতৃ।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ইউপিৰ সোণাউলি সীমান্তত

নতুন দিল্লী, ৪ এপ্ৰিলঃ সীমান্ত অতিক্ৰম কৰি ভাৰতত অনুপ্ৰেশৰ প্ৰয়াস কৰাৰ সময়তে বৃহস্পতিবাৰে ভাৰত-নেপাল সোণাউলি সীমান্তত গ্ৰেপ্তাৰ হয় তিনিজন সন্ত্ৰাসবাদী। উত্তৰ প্ৰদেশ আৰক্ষীৰ সন্ত্ৰাসবাদ বিৰোধী শাখাই গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই এই তিনিওজন সন্ত্ৰাসবাদীক সীমান্তৰ পৰা গ্ৰেপ্তাৰ কৰে। ধৃত সন্ত্ৰাসবাদী কেইজনৰ দুজন পাকিস্তানৰ আৰু এজন জম্মু-কাশ্মীৰৰ বুলি জানিব পৰা গৈছে। এটিএছৰ এক সূত্ৰ অনুসৰি, সন্ত্ৰাসবাদী কেইটাই নেপাল সীমান্তৰ মাজেৰে ভাৰতত অনুপ্ৰেশৰ চেষ্টা কৰিছিল। গ্ৰেপ্তাৰৰ পিছত সন্ত্ৰাসবাদী কেইটাক আৰক্ষীৰ হাতত গতাই দিয়া হয়। এটিএছৰ সূত্ৰ অনুসৰি ভাৰতত কোনো বৃহৎ আক্ৰমণৰ পৰিকল্পনা কৰা হৈছিল নেকি সেই বিষয়ে জানিবলৈ ধৃত কেইজনক জেৰা কৰা হ'ব। ইফালে ধৃত সন্ত্ৰাসবাদী কেইটাৰ দুজনক ক্ৰমে পাকিস্তানৰ ৰাৱালপিণ্ডিৰ মহম্মদ আলতাফ ভাট আৰু ইছলামাবাগৰ চৈয়দ গাজানফৰ বুলি চিনাক্ত কৰা হৈছে। আনজন সন্ত্ৰাসবাদীক জম্মু-কাশ্মীৰৰ নিৱাসী নাছিৰ আলী বুলি চিনাক্ত কৰা হৈছে। এটিএছে প্ৰকাশ কৰা অনুসৰি, এই সন্ত্ৰাসবাদী কেইটাই হিজবুল মুজাহিদীনৰ শিৱিৰত প্ৰশিক্ষণ গ্ৰহণ কৰি কোনো অসত্ লক্ষ্যৰে নেপাল হৈ ভাৰতত প্ৰৱেশৰ চেষ্টা চলাইছিল। পাকিস্তানী সন্ত্ৰাসবাদী দুটাক ভাৰতত অনুপ্ৰৱেশৰ বাবে ভুৱা আধাৰ কাৰ্ডকে ধৰি অন্যান্য নথি-পত্ৰ যোগান ধৰিছিল জম্মু-কাশ্মীৰৰ নাছিৰ আলীয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# অৰুণাচলত বাহনত পালে

ধনবল আৰু বাহুবলৰ আশ্ৰয় লোৱাৰ সময়তে এইবাৰ অৰুণাচল প্ৰদেশত এখন বাহনৰ পৰা উদ্ধাৰ হ'ল এক কোটি টকা নগদ ধন। বৃহস্পতিবাৰে লংডিং জিলাৰ কানুবাৰীত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ কনভয় পাৰ হোৱাৰ ঠিক পিছতে এখন বাহনৰ পৰা এই বৃহৎ পৰিমাণৰ ধনৰাশি জব্দ কৰে লংডিং আৰক্ষীয়ে। লংডিঙৰ আৰক্ষী অধীক্ষক ডেকিঅ' গুমজাই জানিবলৈ দিয়া মতে, বিয়লি প্ৰায় ৩.৩০ বজাত কানুবাৰী চেক পোষ্টত মেঘালয়ৰ মুখ্যমন্ত্ৰীগৰাকীৰ কনভয়ৰ পিছে পিছে আহি থকা এএছ-০১-ইটি-৫২৫২ নম্বৰৰ অসমৰ পঞ্জীয়ন নম্বৰৰ বাহনখনৰ পৰা এক কোটি টকা নগদ ধন জব্দ হয়। এই বৃহৎ পৰিমাণৰ ধন জব্দ হোৱা বাহনখন গৰাকীৰ নাম হৰ্ষবৰ্ধন সিং বুলি জানিব পৰা গৈছে। এই বাহনখন মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ কনভয়ৰ অংশ আছিল নেকি তাক লৈও এতিয়া আৰম্ভ হৈছে চৰ্চা। ঘটনা সন্দৰ্ভত অৰুণাচল প্ৰদেশ আৰক্ষীয়ে ইতিমধ্যে অধিক তথ্যৰ বাবে অনুসন্ধান আৰম্ভ কৰিছে। মন কৰিবলগীয়া যে, লোকসভা নিৰ্বাচনৰ প্ৰাকক্ষণত আজি লংডিং, তেজু, বাছাৰ আদিকে ধৰি অৰুণাচল প্ৰদেশৰ বিভিন্ন স্থানত চাৰিদিনীয়া ভ্ৰমণসূচীৰে ডিব্ৰুগড়ত উপস্থিত হৈছে মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমা।

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আক্ৰমণ কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ

## ‘চীন ভাৰতত সোমাইছে, আপুনি শুই আছে’

**ই-সংবাদ, ৪এপ্ৰিলঃ** চীন ভাৰতৰ ভিতৰত সোমাই আহিছে, আপুনি শুই আছে। আজি এনেদৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক তীব্ৰ আক্ৰমণৰ লক্ষ্য কৰি লয় কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জু খাৰ্গেয়ে। ৰাজস্থানৰ চিতোৰগড়ত এখন ৰাজহুৱা সভাত অংশলৈ কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জু খাৰ্গেয়ে কয় যে আপোনাৰ বুকু ৫৬ ইঞ্চি, মানুহে কয়। মই টেপেৰে জোখা নাই। আপুনি কয় মই ভয় নকৰো। হেই, ভয় নকৰে, তেন্তে চীনক আমাৰ মাটি এৰি দিছে কিয়? তেওঁলোক ভিতৰলৈ আহি আছে। আপুনি টোপনি মাৰি আছে? আপুনি টোপনিৰ বড়ি খায় নেকি? তেওঁলোকে ৰাজস্থানৰ পথাৰৰ পৰা আফিম খাইছিল নে খুৱাইছিল? শেহতীয়াকৈ, চীনে অৰুণাচল প্ৰদেশৰ ৩০ টা স্থানৰ নতুন নাম দিছে। ভাৰতে চীনৰ এই দাবীসমূহ নাকচ কৰিছে আৰু অৰুণাচল প্ৰদেশক ভাৰতৰ এক অবিচ্ছেদ্য অংগ বুলি দাবী কৰিছে। এই ক্ষেত্ৰত খাৰ্গে কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে কেতিয়াও দেশৰ বাবে একো নাভাবে। কেৱল গান্ধী পৰিয়ালক গালি-গালাজ কৰে। আমাক গালি-গালাজ কৰি, তেওঁৰ এয়াই কৰে। মোদীয়ে কৈছিল যে তেওঁ প্ৰতি বছৰে ২ কোটি চাকৰি দিব। মই ক'লা টকা আনিম আৰু সকলোৰে একাউন্টত ১৫ লাখ টকাকৈ দিম। মই কৃষকসকলৰ উপাৰ্জন দুগুণ কৰিম। কিন্তু তেওঁ একো কৰা নাই, তেওঁ কেৱল মিছা প্ৰতিশ্ৰুতি দিয়ে।



মাজুলীৰ পথাৰ, গৌৰৰ গগৈয়ে শ্বেয়াৰ কৰিছে এই বিশেষ ফটোখন

# নিৰ্বাচনৰ বাবে বিদ্যালয়সমূহক বিশেষ আহ্বান মৰিগাঁৱৰ আয়ুক্তৰ

**ই সংবাদ, মৈৰাবাৰী, ৪ এপ্ৰিলঃ** সমাগত লোকসভা নিৰ্বাচনত মৰিগাঁও নিৰ্বাচন জিলাত প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰই হ'ব আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰসদৃশ। গণতন্ত্ৰৰ এই মহা উৎসৱত প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰক আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰৰ শাৰীলৈ লৈ যাব নোৱাৰিলেও ৰাজ্যৰ ভিতৰতে পোনপ্ৰথমবাৰৰ বাবে মৰিগাঁও নিৰ্বাচন জিলাত আদৰ্শ কেন্দ্ৰসদৃশ ভোটগ্ৰহণ কেন্দ্ৰৰ নব্য ধাৰণাক বাস্তৱ ৰূপ দিয়াৰ প্ৰয়াস কৰা হৈছে। আজি জিলা আয়ুক্ত তথা জিলা নিৰ্বাচন বিষয়া দেৱাশীষ শৰ্মাই জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত মৰিগাঁও নিৰ্বাচন জিলাৰ প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰ অৰ্থাৎ বিদ্যালয়ৰ প্ৰধান শিক্ষকসকলৰ সৈতে এই সম্পৰ্কে এটা মত বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰে। নিৰ্বাচন জিলাখনৰ মুঠ ৫২৯ টা ভোটগ্ৰহণ কেন্দ্ৰৰ বিদ্যালয় প্ৰধানসকলৰ উপস্থিতিত আয়োজিত সভাত জিলা আয়ুক্তগৰাকীয়ে কয় যে নিৰ্বাচন আমাৰ বাবে এটা মহা উৎসৱ। সেয়েহে প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰক আমি আকৰ্ষণীয় আৰু উৎসৱমুখৰ কৰি তুলিব পাৰোঁ। তেওঁ যতকিঞ্চিৎ সম্ভাৰ আৰু দায়বদ্ধতাৰে অধিক খৰচ নকৰাকৈ বিদ্যালয় কৰ্তৃপক্ষক ভোটগ্ৰহণৰ দিনা নিজৰ নিজৰ বিদ্যালয়খনক আকৰ্ষণীয় কৰি সজাই তুলিবলৈ অনুৰোধ জনায়। তেওঁ ৫২৯ খন বিদ্যালয়ৰ ভিতৰত আদৰ্শ কেন্দ্ৰকেইটাৰ বাহিৰে সমূহ বিদ্যালয়কে নিজ নিজ বিদ্যালয়ত ভোটগ্ৰহণৰ দিনা এটা উৎসৱমুখৰ পৰিৱেশ সৃষ্টি কৰি গণতন্ত্ৰৰ সৰ্বোচ্চ উৎসৱত ভাগ ল'বলৈ আহ্বান জনায়। তেওঁ এইক্ষেত্ৰত শ্ৰেষ্ঠ বিদ্যালয়খনলৈ নগদ ২০,০০০ টকা, দ্বিতীয় শ্ৰেষ্ঠ বিদ্যালয়খনলৈ নগদ ১০,০০০ টকা আৰু তৃতীয় শ্ৰেষ্ঠ বিদ্যালয়খনলৈ নগদ ৫,০০০ টকা আগবঢ়োৱাৰ কথা ঘোষণা কৰে।

# মৰিগাঁৱৰ জালুগুটিত মুখ্যমন্ত্ৰী

ই-সংবাদ, ৪এপ্ৰিলঃ একশৰণ ভাগৱতী সমাজৰ আচাৰ্য ইলাৰাম দাসৰ স্মৃতি নৱপ্ৰজন্মৰ মাজত সদায় জীয়াই থাকিব লগতে তেখেতৰ আধ্যাত্মিক জ্যোতিয়ে অসমখনক আলোকিত কৰি থাকিব বুলি মন্তব্য কৰিছে অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। আজি নগাঁও লোকসভা সমষ্টিৰ বিজেপি দলৰ প্ৰাৰ্থী সুৰেশ বৰাৰ মনোনয়ন পত্ৰ দাখিল পৰ্বত অংশগ্ৰহণ কৰাৰ উদ্দেশ্য গুৱাহাটীৰ পৰা নগাঁৱলৈ হেলিকপ্টাৰেৰে যোৱাৰ পথত মৰিগাঁও জিলাৰ জালুগুটিত একৰণ ভাগৱতী সমাজৰ প্ৰৱৰ্তক, আচাৰ্য প্ৰয়াত ইলাৰাম দাসৰ বাসগৃহত উপস্থিত হৈ মুখ্যমন্ত্ৰী ডঃ শৰ্মাই আচাৰ্য ইলাৰাম দাস প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁ একশৰণ ভাগৱতী সমাজৰ ভকত বৈষ্ণৱ সকলৰ পৰাও আশীৰ্বাদ বিছাৰে। ইফালে একশৰণ ভাগৱতী সমাজৰ প্ৰধান সচিব জ্যোতিপ্ৰসাদ দাসে মুখ্যমন্ত্ৰী গৰাকীৰ উপস্থিতিয়ে একশৰণ ভাগৱতী সমাজক কৃতাৰ্থ কৰা বুলি মন্তব্য কৰে।

# ভয়ংকৰ অভিযোগেৰে কংগ্ৰেছৰ পুৰণি নেতা ৰমেন বৰঠাকুৰৰ দলত্যাগ

**ই-সংবাদ, ৪এপ্ৰিলঃ** অতি পুৰণি নেতা ৰমেন বৰঠাকুৰে কংগ্ৰেছ ত্যাগ কৰাৰ ঘোষণা কৰিছে। আজি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাক পদত্যাগ পত্ৰ প্ৰদান কৰে ৰমেন বৰঠাকুৰে। গুৱাহাটী সমষ্টিত টিকটৰ দাবীদাৰ আছিল ৰমেন বৰঠাকুৰ। টিকট প্ৰদান নকৰাত দলৰ নেতৃত্বৰ বিৰুদ্ধে নাৰাজ ৰমেন বৰঠাকুৰে আজি দলৰ পৰা পদত্যাগ কৰাৰ ঘোষণা কৰিছে। প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰ হিচাপে কাম কৰি থকাৰ লগতে ৰাজীৱ ভৱনত সক্ৰিয় ৰমেন বৰঠাকুৰ এক বিতৰ্কত সোমাই পৰিছিল। অসম কংগ্ৰেছৰ তত্বাৱধায়ক জীতেন্দ্ৰ সিঙে তেওঁৰ পৰা ২ কোটি টকা বৰঙণি লোৱাৰ অভিযোগ উত্থাপন কৰিছিল। এই বৰঙণি টিকট প্ৰদানৰ নামত কংগ্ৰেছে লোৱা বুলি দাবী কৰি সংবাদ মাধ্যমত দলৰ বিৰুদ্ধে মন্তব্য দি আহিছিল বৰঠাকুৰে। ফলত কংগ্ৰেছে কাৰণ দৰ্শোৱাৰ জাননী কৰিছিল যদিও জাননী লাভৰ পাছতে দল ত্যাগৰ ঘোষণা কৰে বৰঠাকুৰে। প্ৰাথমিক সদস্যপদ ত্যাগ কৰা ৰমেন বৰঠাকুৰক বঞ্চিত কৰি দলে টিকট প্ৰদান কৰিছিল মীৰা বৰঠাকুৰক। এটা সংবাদ সংস্থাক দিয়া মন্তব্যত কংগ্ৰেছক তীব্ৰ সমালোচনা কৰি লেটি-পেটিৰ বাবেই কংগ্ৰেছ ডুবিল বুলি কয়।

## মাৰ্কিন কোম্পানীৰ ২২ কোটি বিনিয়োগ

# ছেল্ফ-ড্ৰাইভিং কাৰক লৈ যুৱ অভিযন্তাৰ বিশেষ সাফল্য

**ই-সংবাদ, ৪ এপ্ৰিলঃ** ভাৰতৰ এগৰাকী যুৱ অভিযন্তাই আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা ২২ কোটি টকাৰ বিনিয়োগ লাভ কৰিছে৷ এই টকাৰে যুৱ অভিযন্তাগৰাকীয়ে চেল্ফ-ড্ৰাইভিং কাৰক লৈ গৱেষণা কৰিব৷ অভিযন্তাগৰাকী হৈছে ভূপালৰ ৩৫ বছৰীয়া সঞ্জীৱ শৰ্মা৷ ইতিমধ্যে কেইবাবাৰ টেষ্ট ড্ৰাইভিং কৰি সফলতা লাভ কৰিছে সঞ্জীৱ শৰ্মাই৷ এখন বলেৰ'ক চেল্ফ-ড্ৰাইভিং কাৰলৈ ৰূপান্তৰ কৰি সফলতা লাভ কৰিছে৷ পথ চলাচলা কৰা বলেৰ'খনে একেটা পথেৰে বিপৰীত দিশৰ পৰা অহা ডাম্পাৰ আৰু মটৰ চাইকেলক অতিক্ৰম কৰি নিজৰ গন্তব্য স্থানত উপস্থিত হৈছে৷ ইউ-টাৰ্ণ লৈ আন পথত সোমাইছে৷ ৩৫ বছৰীয়া অভিযন্তা সঞ্জীৱ শৰ্মাই সফলতাৰে মহিন্দ্ৰা বলেৰ' এছইউভি এখন চেল্ফ-ড্ৰাইভিং কাৰলৈ ৰূপান্তৰ কৰিছিল। অভিযান্ত্ৰিক দক্ষতা ব্যৱহাৰ কৰি গাড়ীখনত জিপিএছ-আধাৰিত ব্যৱস্থা স্থাপন কৰা হয়। জিপিএছ-আধাৰিত কমাণ্ড প্ৰণালী যোগে মসৃণভাৱে ব্যস্ত পথত চালক অবিহনে চলাচল কৰে গাড়ীখন। অৱশ্যে, ৩০০ মিটাৰ ভ্ৰমণৰ সময়ত এখন ডাম্পাৰক অতিক্ৰম কৰে। সেই সময়ত এখন মটৰচাইকেল দৃষ্টিগোচৰ হয়৷ সেই সময়ত গতি কমাই আনে৷ গাড়ীখনে পুনৰ গতি কমাই সোঁফালে নতুন পথলৈ গতি কৰি জিপিএছত ৰেকৰ্ড কৰা স্থানত ৰৈ যায়। গাড়ীখন চালক অবিহনে চলি আছিল। ই ব্ৰেকিংৰ পৰা ষ্টিয়েৰিং নিয়ন্ত্ৰণলৈকে সকলো সম্পাদন কৰা হৈছিল জিপিএছ আধাৰিত ব্যৱস্থাৰ দ্বাৰা। ভূপালৰ অভিযন্তা সঞ্জীৱ শৰ্মাই মহিন্দ্ৰা বলেৰ' জীপক এখন চেল্ফ-ড্ৰাইভিং কাৰলৈ ৰূপান্তৰ কৰে ব্যাপক চৰ্চা লাভ কৰিছে। আই.আই.টি. ৰুৰকীৰ পৰা উত্তীৰ্ণ সঞ্জীৱে ৯ বছৰ ধৰি এই প্ৰকল্পক লৈ কাম কৰি আছে। গাড়ীখনৰ সৈতে ৫০ হাজাৰ কিলোমিটাৰ দৌৰ সম্পূৰ্ণ কৰিছে। সঞ্জীৱে কয় যে গাড়ীখন কেতিয়াও দুৰ্ঘটনাত পতিত হোৱা নাই। গৱেষণাৰ বাবে, সঞ্জীৱে আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা ২২ কোটি টকাৰ বিনিয়োগ লাভ কৰিছে। এই বছৰৰ শেষৰ ফালে চেল্ফ-ড্ৰাইভিং কাৰ প্ৰযুক্তিৰ স্তৰ-ফৰ সম্পূৰ্ণ হ'ব ভাৰতত৷ শীঘ্ৰে জিপিএছ যোগে নিৰ্দিষ্ট হৈ থকা পথত চালক অবিহনে গাড়ী দৌৰিবলৈ আৰম্ভ কৰিব ভাৰতত।

# কাছাৰত ২১০ কোটি টকা মূল্যৰ হেৰ'ইন উদ্ধাৰ

**ই-সংবাদ, ৪এপ্ৰিলঃ** অসম আৰক্ষীৰ স্পেচিয়েল টাস্ক ফৰ্চে আজি ৰাজ্যৰ দুই ঠাইত অভিযান চলাই বৃহৎ পৰিমাণৰ ড্ৰাগছ আৰু নকল সোণ উদ্ধাৰ কৰিবলৈ সক্ষম হয়৷ কাছাৰত ২১০ কোটি টকা মূল্যৰ ২১ কেজি হেৰ'ইন আৰু গুৱাহাটীৰ গড়চুকত নকল সোণ উদ্ধাৰ কৰিবলৈ সক্ষম হয় এছটিএফৰ দলে৷ অসম-মিজোৰাম সীমান্তৰ শিলডুবি-আইজল পথত এছটিএফ আৰু কাছাৰ আৰক্ষীৰ অভিযান চলাই ২১০ কোটি টকা মূল্যৰ হেৰ'ইন উদ্ধাৰ কৰিবলৈ সক্ষম হয়৷ এম.জেড-০১-এক্স-৭২০৪



নম্বৰৰ সৰু বাহনখন মিজোৰামৰ পৰা আহি আছিল৷ তেনে সময়তে এছটিএফ আৰু কাছাৰ আৰক্ষীয়ে অভিযান চলায়৷ অভিযানকালত ২১ কেজি হেৰ'ইন উদ্ধাৰ কৰিবলৈ সক্ষম হয়৷ ইপিনে অসম আৰক্ষীৰ বিশেষ টাস্ক ফ'ৰ্চে গুৱাহাটী মহানগৰীৰ গড়চুক অঞ্চলত অভিযান চলাই নকল সোণৰ ৰেকেট চলাই থকা চক্ৰক ধৰিবলৈ সক্ষম হয়। অভিযানত এজন সন্দেহযুক্ত ব্যক্তিক আটক কৰাৰ লগতে নকল সোণ জব্দ কৰা হয়৷ অভিযানত ১.৪৮৯ কিলোগ্ৰাম নকল সোণ উদ্ধাৰ হয়।

## জেললৈ যাব লাগিব শৰণীয়াঃ খাম্পা বৰগয়াৰী

# পুনৰ বিপদত সাংসদ নৱ কুমাৰ শৰণীয়া, স্থগিতাদেশৰ ৰায়দান বাতিল

**ই-সংবাদ, কোকৰাঝাৰ, ৪ এপ্ৰিলঃ** লোকসভা নিৰ্বাচনৰ ঠিক পূৰ্বে পুণৰ বিপদৰ সন্মুখীন হৈছে কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ নৱ কুমাৰ শৰণীয়া । জনজাতিৰ বাবে সংৰক্ষিত ১ নং কোকৰাঝাৰ লোকসভা সমষ্টিৰ পৰা সাংসদ নৱ কুমাৰ শৰণীয়াই নিৰ্বাচন খেলিব পাৰিব নে নাই সেয়া গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায়দানৰ ওপৰতে নিৰ্ভৰ কৰিব । নৱ কুমাৰ শৰণীয়া "বড়ো -কছাৰী" মূলৰ  জনজাতিৰ প্ৰমানপত্ৰক লৈ গুৱাহাটী উচ্চ ন্যায়ালয়ত গোচৰ চলি আছে আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে দিয়া এক নিৰ্দেশনাই নৱ কুমাৰ শৰণীয়াৰ ৰাজনৈতিক জীৱন সংকটলৈ ঠেলি দিছে। আজি কোকৰাঝাৰত আয়োজিত হোৱা এক সংবাদমেলত বড়োলেণ্ড জনজাতি সুৰক্ষা মঞ্চৰ প্ৰাক্তন সভাপতি তথা আবেদনকাৰী জনকলাল বসুমতাৰীয়ে কয় যে জনজাতিৰ বাবে সংৰক্ষিত কোকৰাঝাৰ লোকসভা সমষ্টিত নিৰ্যাচন খেলিব নোৱাৰিব নৱ কুমাৰ শৰণীয়া !নৱ কুমাৰ শৰণীয়াৰ জনজালিকৰণৰ বিষয়টোক লৈগুৱাহাটী উচ্চ ন্যায়ালয়ৰ এজনীয়া বিচাৰপীঠে দিয়া স্থগিতাদেশৰ ৰায়দান বাতিল কৰিলে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে৷ সাংসদ নৱ কুমাৰ শৰণীয়া বড়ো কছাৰী তথা জনজাতি নহয় বুলি ৰাজ্যিক পৰ্যায়ৰ স্ক্ৰুট্ৰিনি কমিটিয়ে যোৱা ২০ জানুৱাৰীত নিৰ্দেশ দিছিল । ইয়াৰ পিছতে নৱ কুমাৰ শৰণীয়াই আবেদন জনোৱাত যোৱা ২৭ মাৰ্চত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এজনীয়া বিচাৰপীঠে নৱ কুমাৰ শৰণীয়াৰ জাতিগত প্ৰমান পত্ৰৰ বিষয়টোক লৈ স্থগিতাদেশৰ ৰায় দান দিছিল৷ কিন্তু বিষয়টোৰ শুনানি গ্ৰহণ কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে আজি এজনীয়া বিচাৰপীঠে চূড়ান্ত ৰায়দান নিদিয়ালৈকে দিয়া অন্তৰ্বৰ্তীকালিন স্থগিতাদেশৰ ৰায়দান বাতিল কৰে। উল্লেখ্য যে বড়োলেণ্ড জনজাতি সুৰক্ষা মঞ্চৰ প্ৰাক্তন সভাপতি জনকলাল বসুমতাৰীয়ে যোৱা ২০১৯ চনৰ ১১ জুনত নৱ কুমাৰ শৰণীয়া বড়ো কছাৰী তথা জনজাতি নহয় বুলি অভিযোগ উত্থাপনেৰে বিষয়টো সন্দৰ্ভত বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে ৰাজ্যিক পৰ্যায়ৰ স্ক্ৰুট্ৰিনি কমিটিক আবেদন জনাইছিল৷ উক্ত আবেদনৰ ওপৰত ভিত্তি কৰিয়ে ৰাজ্যিক পৰ্যায়ৰ স্ক্ৰুট্ৰিনি কমিটিয়ে যোৱা ২০ জানুৱাৰীত নৱ কুমাৰ শৰণীয়া নিৰ্দেশনা বাতিল কৰিছিল৷ ইপিনে কোকৰাঝাৰত বিপিএফৰ প্ৰাৰ্থী খাম্পা বৰগয়াৰীয়ে সাংবাদিকৰ এক প্ৰশ্নোত্তৰত ভুৱা জনজাতিৰ প্ৰমানপত্ৰ লৈ ১০ বছৰ সাংসদ হোৱা নৱ কুমাৰ শৰণীয়াই সকলো খৰছ ঘূৰাই দিব লাগিব আৰু জেললৈ যাব লাগিব বুলি মন্তব্য কৰিছে।

## ভগৱানক ‘তই’ বুলি সম্বোধন

# বিদূৰভাইৰ ‘দে ভগৱান কপালত ফুলাই দে’ গীতক লৈ বিতৰ্ক

**ই-সংবাদ, ৪ এপ্ৰিল, খুমটাইঃ** বিতৰ্কত সোমাই পৰিছে বিদূৰভাই নামৰ ছবিখন৷ ভগৱানক ‘তই’ সম্বোধন কৰি ৰচনা কৰা দীক্ষুৰ কণ্ঠৰ ‘দে ভগৱান কপালত ফুলাই দে’ গীতটোক লৈ সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়া৷ ছবিখনৰ পৰিচালক সুব্ৰত কাকতিক উভটি ধৰিছে শৈৱ মহাসংঘৰ সভাপতি সৌমিত্ৰ গোস্বামীয়ে৷ শৈৱ মহাসংঘৰ সভাপতি সৌমিত্ৰ গোস্বামীয়ে বিতৰ্কত সোমাই পৰা ‘বিদুৰভাই’ নামৰ নতুন অসমীয়া ছবিখনক লৈ নাৰাজ হৈ পৰিছে। ছবিখনৰ সদ্যমুক্তিপ্ৰাপ্ত গীতটোক লৈ ছবিখন বিতৰ্কত সোমাই পৰিছে। ৰকষ্টাৰ এণ্টাৰটেণ্টমেণ্টৰ বেনাৰত নিৰ্মিত ছবিখনৰ দীক্ষুৰ কণ্ঠৰ ‘দে ভগৱান দে’ শীৰ্ষক গীত ভগৱানক তুচ্ছ-তাচ্ছিল্য কৰাৰ অভিযোগত ক্ষোভৰ সৃষ্টি হৈছে। শৈৱ মহাসংঘৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি সৌমিত্ৰ গোস্বামীয়ে এই গীতত ভগৱানক লৈ তই তথা অন্য দুটামান তুচ্ছাৰ্থক শব্দ ব্যৱহাৰক লৈ ছবিখনৰ প্ৰযোজক, পৰিচালক তথা চিত্ৰনাট্যকাৰ সুব্ৰত কাকতিক কঠোৰ সমালোচনা কৰিছে। ছবিখনত ভগৱানক অশ্লীল শব্দৰে তাচ্ছিল্য কৰাৰো গুৰুতৰ অভিযোগ তুলিছে শৈৱ মহাসংঘৰ সভাপতিগৰাকীয়ে৷

## তিনিটা সমষ্টিতে বিজয়ী হ'ব বিপিএফ দলঃ হাগ্ৰামা

# বিপিএফ দলৰ কেন্দ্ৰীয় নিৰ্বাচনী কৰ্ণধাৰ সমিতিৰ কাৰ্যালয় মুকলি




**ই-সংবাদ, কোকৰাঝাৰ, ৪ এপ্ৰিলঃ** বৰপেটা লোকসভা সমষ্টিৰ বাবে বিপিএফ দলৰ প্ৰাৰ্থী হ'ব ছমেজউদ্দিন। বিপিএফ দলে পাঁচটা লোকসভা সমষ্টিত নিৰ্বাচন খেলিব আৰু ইতিমধ্যে চাৰিটা সমষ্টিৰ বাবে প্ৰাৰ্থী ঘোষণা কৰা হৈছে। বিপিএফ দলে প্ৰাৰ্থীত্ব আগবঢ়োৱা পাঁচটা লোকসভা সমষ্টিৰ ভিতৰত তিনিটা সমষ্টিতে বিপিএফ দলৰ প্ৰাৰ্থী বিজয়ী হ'ব। এই দাবী কৰিছে বিপিএফ দলৰ সভাপতি তথা বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে৷ আজি কোকৰাঝাৰ চহৰৰ বিপিএফ দলৰ কেন্দ্ৰীয় কাৰ্যালয় প্ৰাংগনত হাগ্ৰামা মহিলাৰীয়ে নিৰ্বাচনী কৰ্ণধাৰ সমিতিৰ কেন্দ্ৰীয় কাৰ্যালয় মুকলি কৰাৰ পাছত আয়োজিত হোৱা এক সংবাদ মেলত আনুষ্ঠানিকভাৱে বৰপেটা লোকসভা সমষ্টিৰ বিপিএফৰ প্ৰাৰ্থী  ছমেজ উদ্দিনৰ নাম ঘোষণা কৰি উক্ত মন্তব্য কৰিছে।প্ৰাৰ্থী গৰাকী পূৰ্বতে বৰপেটা জিলা কংগ্ৰেছ সমিতিৰ সদস্য আৰু এগৰাকী সমাজকৰ্মী আছিল বুলি জানিব পৰা গৈছে৷ মহিলাৰীয়ে কয় যে বৰপেটা লোকসভা সমষ্টিটোৰ বাবে কেবাগৰাকী প্ৰাৰ্থী দাবীদাৰ আছিল যদিও কালি নিশা ছমেজ উদ্দিনৰ নাম চূড়ান্ত কৰা হয় আৰু সেয়া আজি ঘোষণা কৰা হ'ল৷ তৃতীয় পৰ্যায়তগুৱাহাটীৰ প্ৰাৰ্থী গৰাকীৰ নাম ঘোষণা কৰিব বুলি জানিবলৈ দি মহিলাৰীয়ে কয় যে গুৱাহাটী সমষ্টিৰ বাবেও ছয় গৰাকী প্ৰাৰ্থীয়ে আবেদন কৰিছে। অৱশ্যে এতিয়ালৈকে প্ৰাৰ্থী চূড়ান্ত কৰিব পৰা হোৱা নাই। হাগ্ৰামা মহিলাৰীয়ে কয় যে ঠাই বিশেষে ভোটাৰ ৰাইজে কংগ্ৰেছ-বিজেপিৰ বাহিৰে এটা বিকল্প দল বিচাৰিছে আৰু বিপিএফ দলৰ প্ৰতি আকৰ্ষিত হৈ সকলো জাতি-জনগোষ্ঠীৰ ৰাইজ বিপিএফ দলক সহায় কৰিবলৈ আগবাঢ়ি আহিছে। বিপিএফৰ প্ৰতি ৰাইজৰ ব্যাপক সঁহাৰি দেখা পোৱা গৈছে তিনিটা লোকসভা সমষ্টি যে বিপিএফ দলে দখল কৰিব সেয়া নিশ্চিত হৈছে৷ ইপিনে সাংবাদিকে গোটেই অসমৰ নিৰ্বাচনী প্ৰেক্ষাপটৰ সম্পৰ্কে জানিব বিচৰাত হাগ্ৰামা মহিলাৰীয়ে কয়, 'চাৰি বছৰ হ'ল গুৱাহাটীত নোযোৱা, সেইকাৰণে মই ইমান নাজানো কেনেকুৱা কি চলি আছে৷ কংগ্ৰেছ বিজেপিয়ে ১৪ খনকৈ আসন পাব বুলি কৈছে আৰু এ আই ইউ ডি এফে চাৰি-পাঁচখন আসন পাব বুলি কৈছে৷ দৰং-ওডালগুৰি সমষ্টিত এআইইউডিএফে। চৰ্তহীনভাৱে আমাক সমৰ্থন আগবঢ়াইছে৷ কোকৰাঝাৰ লোকসভা সমষ্টিত এতিয়ালৈকে কাৰো লগত আলোচনা হোৱা নাই যদিও কোনোবাই চৰ্তহীনভাৱে সমৰ্থন দিলে নিশ্চয় গ্ৰহন কৰিব বুলি মন্তব্য কৰে৷ প্ৰচাৰৰ কাৰনে হেলিকপ্টাৰ ব্যৱহাৰ কৰিব নেকি বুলি সোধাত হাগ্ৰামা মহিলাৰীয়ে কয় যে আগতে যি গৰাকী দ্ৰাইভাৰে আমাক হেলিকপ্টাৰ বাকীত ভাড়া দিব বুলি কৈছিল সেই দ্ৰাইভাৰ জন সলনি হ'ল অৰ্থাৎ বেলেগ ঠাইলৈ গুছি গ'ল৷ সেইকাৰণে এতিয়া বেলেগ দ্ৰাইভাৰৰ লগত কথা পাতি আছে বুলি জানিবলৈ দিয়ে৷ আনপিনে ষ্টাৰ কেম্পেইনাৰৰ সন্দৰ্ভত সোধাত মহিলাৰীয়ে তেওঁ নিজেই ষ্টাৰ কেম্পেইনাৰ বুলি উল্লেখ কৰি দলত কেবাগৰাকী ষ্টাৰ কেম্পেইনাৰ থকাৰ কথা উল্লেখ কৰে৷ অহা ১৯ এপ্ৰিলত কোকৰাঝাৰ লোকসভা সমষ্টিৰ বাবে খাম্পা বৰগয়াৰীয়ে মনোনয়ন পত্ৰ দিব বুলি জানিবলৈ দিয়ে হাগ্ৰামা মহিলাৰীয়ে। আজিৰ কাৰ্যসূচীত কোকৰাঝাৰ লোকসভা সমষ্টিৰ বিপিএফৰ প্ৰাৰ্থী খাম্পা বৰগয়াৰী আৰু বৰপেটা লোকসভা সমষ্টিৰ প্ৰাৰ্থী ছমেজ উদ্দিন, বিপিএফৰ কেবাগৰাকী জ্যেষ্ঠ নেতা, কৰ্মী-সমৰ্থক উপস্থিত আছিল

## দানৱৰূপী আৰক্ষীক শাস্তিৰ দাবী পৰিয়াল তথা দল-সংগঠনৰ

# পিঠি, কৰঙণ চাব নোৱাৰা অৱস্থা, দিব্যাংগ যুৱকক বৰ্বৰভাৱে প্ৰহাৰ অসম আৰক্ষীৰ







**ই-সংবাদ, ৪ এপ্ৰিলঃ** অসম আৰক্ষীৰ একাংশ বিষয়া-কনিষ্টবলৰ ভয়ানক চৰিত্ৰ পুনৰ এবাৰ পোহৰলৈ আহিছে। অসম আৰক্ষীয়ে জন্মগতভাৱে দিব্যাংগ লোকক জন্তুৰ দৰে প্ৰহাৰ কৰাৰ অভিযোগে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে যোৰহাট জিলাত। জানিব পৰা মতে, যোৰহাটত আৰক্ষীয়ে চুৰি কৰাৰ সন্দেহত অমানৱীয় অত্যাচাৰ চলাই ৩০ বছৰীয়া দিব্যাংগ যুৱক গৌতম লিখকক। চকীত বন্দী কৰি বৰ্বৰভাৱে প্ৰহাৰ কৰা বুলি অভিযোগ আনিছে পৰিয়ালে। চুৰি কৰাৰ অভিযোগ আনি যুৱকজনক বন্দী কৰি তদন্তৰ নামত বাঁহ, বেত, বেৰত খুন্দিয়াই নিৰ্যাতন চলোৱাত আৰ্তনাদ কৰি সময় পাৰকৰিবলগীয়া হৈছে যুৱকজনে। জানিব পৰা মতে, যোৰহাট এলেংমৰাৰ গৌতম লিখকক কাৰ্যালয়ৰ পৰা পশুধন চুৰি কৰাৰ অভিযোগত মঙলবাৰে যোৰহাটৰ আইএছবিটি চকীৰ আৰক্ষীয়ে ধৰি নিছিল। তাৰ পাছতে আইএছবিটি চকীত বন্দী কৰি জন্তুৰ দৰে ব্যৱহাৰ কৰে গৌতম লিখকক। বাঁহ, বেতেৰে প্ৰহাৰ কৰাৰ লগতে বেৰত খুন্দিয়াই আহত কৰে। গৌতমৰ দেহত আঘাতৰ চিন স্পষ্ট হৈ আছে। ২০১২ চনতে গৌতম লিখকক দিব্যাংগ বুলি চিকিৎসকে প্ৰমাণপত্ৰ দিছিল। কিন্তু এনে কোনো ধৰণৰ কথাক কেৰেপ নকৰি জন্তুৰ দৰে ব্যৱহাৰ কৰে যুৱকজনক। জন্মগতভাৱে দিব্যাংগ ৩০ বছৰীয়া গৌতম লিখকক বৰ্বৰভাৱে অসম আৰক্ষীয়ে প্ৰহাৰ কৰাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে সমগ্ৰ যোৰহাট জিলাত। যোৰহাটত আৰক্ষীৰ বৰ্বৰতাৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে ৰাইজ। পৰিয়াল আৰু ৰাইজে ঘটনাক গুৰুত্বসহকালে লৈ এই কাণ্ডত জড়িত দানৱৰূপী আৰক্ষীৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে মুখ্যমন্ত্ৰী আৰু আৰক্ষী সঞ্চালক প্ৰধানক। শাৰীৰিকভাৱে বাধাগ্ৰস্ত যুৱকজনেও দানৱৰূপী আৰক্ষীক শাস্তি দিয়াৰ কাতৰ আহ্বান জনাইছে মুখ্যমন্ত্ৰীক।

শেষ পৃষ্ঠা

# প্ৰধানমন্ত্ৰীৰ পদ অফাৰ কৰিলেও বিজেপিলৈ নাযাওঁঃ ছিদ্দাৰামাইয়া



**বাংগালুৰু, ৪ এপ্ৰিলঃ** প্ৰধানমন্ত্ৰীৰ পদ অফাৰ কৰিলেও মই কেতিয়াও বিজেপিত যোগদান নকৰো৷ এই কথা স্পষ্ট কৰিছে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা কৰ্ণাটকৰ মুখ্যমন্ত্ৰী সিদ্ধাৰামাইয়াই৷ লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হোৱাৰ পাছতে ইজনৰ পাছত সিজন নেতাই বিজেপিত যোগদান কৰাৰ সময়তে সিদ্ধাৰামাইয়াৰ মন্তব্যই গুৰুত্ব লাভ কৰিছে৷ মুখ্যমন্ত্ৰীৰ পদত বহি থকা সিদ্ধাৰামাইয়াই বিজেপিক আক্ৰমণ কৰি কয় যে বিজেপি আৰু আৰএছএছ কোনোৱেই দেশৰ উন্নতি কৰিব নোৱাৰে। সাধাৰণ মানুহক মুৰ্খ সজোৱাটোৱে হৈছে বিজেপি আৰু আৰএছএছৰ কাম৷ আৰু এই কাম অতি সন্তৰ্পণে কৰি গৈছে বিজেপি আৰু আৰএছএছে৷ শেহতীয়াকৈ কংগ্ৰেছ এৰি বিজেপিত যোগদান কৰা নেতাসকলক কৰ্কথনা কৰি সিদ্ধাৰামাইয়াই কয় যে বহু ৰাজনীতিবিদৰ কোনো নীতি নাই। যিকোনো সময়তে সাধাৰণ মানুহক মুৰ্খ সজাই এনে ৰাজনীতিকে। নৰেন্দ্ৰ মোদীক তীব্ৰ সমালোচনা কৰি কয়“ ইংৰাজে ভাৰতত শাসন কৰিবলৈ যি কাম কৰিছিল সেই কামকে কৰি লক্ষ্যত উপনীত হৈছে বিজেপি। বিজেপিয়ে একো কাম নকৰাৰ ফলস্বৰূপে নিৰ্বাচনত জয়ী হ’বলৈ বিজেপিয়ে বিৰোধীৰ বিৰুদ্ধে সকলো কৰিব লগা হৈছে৷”






# মণিপুৰত বৃহৎ অস্ত্ৰভাণ্ডাৰ উদ্ধাৰ

**ই-সংবাদ, ৪ এপ্ৰিলঃ** হিংসা জৰ্জৰিত মণিপুৰৰ অৱস্থা আজিও স্বাভাৱিক হৈ উঠা নাই৷ আজিও বিভিন্ন সময়ত কূটাঘাট সংঘটিত হৈ আহিছে৷ ইপিনে মণিপুৰ আৰক্ষী, অৰ্ধসামৰিক আৰু সেনা বাহিনীয়ে বিদ্ৰোহী সংগঠনৰ বিৰুদ্ধে অভিযোগ অব্যাহত ৰাখিছে৷ তাৰ মাজতে মণিপুৰ আৰক্ষী, অৰ্ধসামৰিক আৰু সেনা বাহিনীয়ে বিদ্ৰোহী সংগঠনে মজুত কৰি ৰখা বৃহৎ অস্ত্ৰভাণ্ডাৰ উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে৷ ভাৰতীয় সেনা, এছএছবি আৰু মণিপুৰ আৰক্ষীৰ বিশেষ কমাণ্ডোৰ যুটীয়া অভিযানত যথেষ্ট পৰিমাণে অবৈধ অস্ত্ৰ-শস্ত্ৰ আৰু গোলাবাৰুদ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। মণিপুৰৰ বিষ্ণুপুৰ জিলাৰ সদু কাবুই গাঁৱত চলোৱা এই অভিযানত অস্ত্ৰ-শস্ত্ৰ আৰু গোলাবাৰুদ উদ্ধাৰ হয়৷ ৯টা কাৰ্বাইন মেচিন গান, এটা ষ্টেন গান এমকে-টু, এটা পইণ্ট ৩০৩ ৰাইফল, এটা নাইন-এমএম পিষ্টল, এটা বন্দুক, ১৪টা গ্ৰেনেড, বাৰুদ উদ্ধাৰ হয়৷ অস্ত্ৰসমূহ গাত খান্দি পুতি থৈছিল৷ আজি গাত খান্দি উদ্ধাৰ কৰা হয়৷ উক্ত এলেকাত সন্দেহজনক লোকৰ চলাচল অব্যাহত আছিল৷ তেনে সময়তে চোৰাংচোৱা তথ্যৰ ভিত্তিত অভিযান চলাই অবৈধ অস্ত্ৰ-শস্ত্ৰ আৰু গোলাবাৰুদৰ তথ্য লাভ কৰে। ভাৰতীয় সেনা, এছএছবি আৰু মণিপুৰ আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে৷








newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান